জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪৪৩/২০২০

# বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আন্তৰ্জাতিক যোগ দিৱস উদ্‌যাপন

## সামাজিক দূৰত্বৰ প্ৰট'কল মানি চলি যোগ অনুশীলন কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

## যোগাভ্যাসৰ জৰিয়তে একতাৰ এনাজৰী সুদৃঢ় কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ২১ জুন ঃ** বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি ষষ্ঠ সংখ্যক আন্তৰ্জাতিক যোগ দিৱস উদ্‌যাপন কৰা হয়। আন্তৰ্জাতিক যোগ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণক আন্তৰিক অভিনন্দন জনোৱাৰ উপৰি ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ বাসগৃহত সামাজিক দূৰত্বৰ প্ৰট'কল সম্পূৰ্ণৰূপে মানি চলি মুখ্যমন্ত্ৰীয়ে এই যোগ দিৱসৰ কাৰ্যসূচী পালন কৰে। মুখ্যমন্ত্ৰীৰ বাসগৃহত মুখ্যমন্ত্ৰীৰ সৈতে আজি বিধায়কদ্বয় ক্ৰমে প্ৰশান্ত ফুকন আৰু ঋতুপৰ্ণ বৰুৱাই আন্তৰ্জাতিক যোগ দিৱস উপলক্ষে যোগ অনুশীলন কৰে।

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণক ক'ভিড-১৯ সংক্ৰমণৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত নিজৰ গৃহতে পৰিয়ালৰ সৈতে যোগ অনুশীলন কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'যোগ ফৰ ইমিউনিটি, কমিউনিটি এণ্ড ইউনিটি' আহ্বানৰ প্ৰতি সহাঁৰি জনাই ৰাজ্যৰ সকলো শ্ৰেণীৰ জনসাধাৰণক প্ৰধানমন্ত্ৰীৰ আহ্বানৰ প্ৰতি আন্তৰিকতাৰে সহাঁৰি জনাবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ সহ সকলো ৰোগ প্ৰতিৰোধৰ বাবে আমি আমাৰ দেহৰ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰিব লাগিব আৰু এই ক্ষেত্ৰত যোগাভ্যাসে শক্তিশালী বৰঙনি যোগায় বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে যোগৰ লগত ধৰ্মৰ কোনো সম্বন্ধ নাই। ই হ'ল শৰীৰ-মন সুস্থ আৰু সন্তুলিত কৰি ৰখাৰ এক মহান উপায়। যোগে আমাৰ শৰীৰ, মন আৰু আত্মাক একত্ৰিত কৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। যোগে সামাজিক সংহতি, শান্তি আৰু মানৱতাৰ বাতাৱৰণ সৃষ্টিত অভূতপূৰ্ব বৰঙনি যোগায় বুলি মুখ্যমন্ত্ৰীয়ে কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰচেষ্টাৰ ফলত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে প্ৰতি বছৰৰ ২১ জুন তাৰিখটো আন্তৰ্জাতিক যোগ দিৱস হিচাপে পালনৰ বাবে সমগ্ৰ বিশ্বক আহ্বান জনাইছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে যোগৰ উপকাৰিতাৰ প্ৰতি লক্ষ্য ৰাখি তথা সমাজত যোগে সৃষ্টি কৰিব পৰা ইতিবাচক ফলাফলৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ সমাজে যোগ অনুশীলনত ব্ৰতী হোৱা উচিত বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেনে কৰিলেহে সমগ্ৰ বিশ্বই ভাৰতৰ এই প্ৰাচীন পৰম্পৰাৰ বিষয়ে বাৰুকৈয়ে উপলব্ধি কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। উল্লেখ্য যে ক'ভিড-১৯ অতিমাৰীৰ পৰিপ্ৰেক্ষিতত আয়ুষ সঞ্চালকালয়ে ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত অতি অনুষ্টুপীয়াকৈ এই যোগ দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত কৰে।

সুঃদঃ / বঃভাঃ / পুঃডেঃ
২১/০৬/২০২০

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in